**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মুগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজিৰ উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হ'ব। এই অনুষ্ঠানত অংশ লোৱাৰ পাছত মন্ত্ৰীগৰাকীয়ে আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লব। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি লব। ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে।

০০০০০০

আজি **সমৰ্থ** আঁচনিৰ অধীনত দক্ষতা বিকাশৰ প্ৰশিক্ষণ আৰু কেন্দ্ৰীয় চৰকাৰৰ হস্তুতাঁত মন্ত্ৰ্যালয়ৰ অধীনত আৰণ্যবিদ্যা আঁচনিৰ বাবে গুৰু-শিষ্য হস্তশিল্প প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। কাজিৰঙাৰ কঁহৰা সন্মিলন কক্ষত কাষৰীয়া অঞ্চলৰ বাসিন্দাৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ মুকলি অনুষ্ঠানত বস্ত্ৰশিল্প আৰু বিদেশ পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা মুখ্য অতিথি ৰূপে উপস্থিত থকাৰ লগতে অতুল বৰা, কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও মন্ত্ৰী তথা সাংসদ উপস্থিত থাকিব।

উল্লেখ্য যে থলুৱা কাৰুশিল্প উন্নয়নৰ বাবে হস্তুতাঁত আৰু পৰ্যটন গাঁৱৰ প্ৰতিষ্ঠা, স্থানীয় লোকৰ দ্বাৰা ৰেস্তোঁৰা আৰু ইকো ট্যুৰিজমৰ সুবিধা, জীপচীচালক আৰু মাউতক প্ৰশিক্ষণ প্ৰদান আদিকে ধৰি বিভিন্ন পৰিকল্পনা তথা লক্ষ্য এই কাৰ্যসূচীৰ জৰিয়তে নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

কালি অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা ২০২৪ৰ শিৱসাগৰ জিলা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। শিৱসাগৰ জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকখনত পৰীক্ষা সমিতিৰ বিষয়ববীয়া, ৭২টা পৰীক্ষা কেন্দ্ৰৰ দায়িত্ববাহী বিষয়া তথা জিলাখনৰ শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থাকে। বৈঠকখনত ২৭ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত বিস্তাৰিতৰূপত আলোচনা কৰা হয়। ৰাজ্য চৰকাৰে সালসলনি কৰা পৰীক্ষাৰ নিয়মসমূহৰ সন্দৰ্ভত সংশ্লিষ্ট সকলোকে অৱগত কৰাৰ লগতে পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়তো বৈঠকত আলোচনা কৰা হয়।

০০০০০০

অসম চৰকাৰৰ সৌজন্যত তথা বাৰেকুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ বিশ্ব হলৌ দিৱসৰ আয়োজন কৰা হৈছে। এই দিৱস উপলক্ষে আজিও তিনিচুকীয়া জিলাৰ বাৰেকুৰিত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। দিৱসৰ সৈতে সংগতি ৰাখি কালি বিভিন্ন নৃত্য-গীত, কুইজ, চিত্ৰাংকন, শ্লগান লিখন আদি প্ৰতিযোগিতা

অনুষ্ঠিত হোৱাৰ লগতে পৰিৱেশ, হলৌ বান্দৰ সংৰক্ষণ আৰু বাৰেকুৰিত গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে পৰ্যটনৰ ক্ষেত্ৰ হিচাপে বাৰেকুৰি হলৌ বান্দৰৰ বাবে প্ৰখ্যাত হৈ পৰিছে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ জলস্তৰ অভাৱনীয়ভাৱে হ্ৰাস পোৱাৰ লগতে নতুনকৈ বালিচৰ পৰাৰ বাবে নিয়মীয়া ফেৰী সেৱা বন্ধ হৈ পৰাত কমলাবাৰী নিমাতীঘাট সংযোগী জলপথৰ শেহতীয়া অৱস্থাৰ বুজ ল'বলৈ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই কালি নিমাতীঘাট আৰু কমলাবাৰী পাৰঘাট পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত মন্ত্ৰী শ্ৰী মহন্তই কমলাবাৰী ঘাটৰ পৰা ফেৰী চলাচল পুনৰ আৰম্ভ কৰিবলৈ জল পৰিবহণ বিভাগে নদীৰ মাজৰ বালিচৰত খনন কাৰ্য আৰম্ভ কৰিব বুলি ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়ক ভুৱন গাম আৰু জিলা আয়ুক্তৰ উপস্থিতিত নদীখনৰ বাম হৈ পৰা বালিচৰসমূহৰ গতি-প্ৰকৃতিৰ বুজ লয়। ইয়াৰ লগতে খৰালি ব্ৰহ্মপুত্ৰৰ মাজৰ মূল সুঁতিৰ এটা সৰু অংশত বালি পৰি গঠন হোৱা বালিচৰতো জল পৰিবহণ বিভাগে খনন আৰম্ভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। মাজুলীৰ সমাগত ৰাস আৰু পালনামৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে ফেৰী চলাচল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হৈছে বুলি শ্ৰী মহন্তই সাংবাদিকৰ আগত জানিবলৈ দিয়ে। তদুপৰি পাৰঘাটসমূহত বিকল হৈ থকা জাহাজসমূহৰো বিভাগে তথ্য সংগ্ৰহ কৰি বিকল্পৰ ব্যৱস্থা কৰিব বুলি তেওঁ অৱগত কৰে।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। কালি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত কালি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ লগতে সাংসদ ৰঞ্জিত দত্ত আৰু বহুকেইজন বিধায়ক উপস্থিত থাকে। ইফালে, বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী প্ৰদানক লৈ হোৱা মতানৈক্যৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিছে। কংগ্ৰেছে মাজনিশা বিহালী সমষ্টিৰ বাবে জয়ন্ত বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰে। ইফালে, ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে আজি আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। কংগ্ৰেছে চিদলী বিধানসভা সমষ্টিৰ কাৰণে প্ৰক্ষেপ কৰা প্ৰাৰ্থী সঞ্জীৱ ওৱাৰিয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰে।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি পুণেৰ মহাৰাষ্ট্ৰ ক্ৰিকেট এছোচিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ১-০ৰ ব্যৱধানত পিছ পৰি থকা ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে শৃংখলাত প্ৰত্যাৱৰ্তন কৰাৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব। ভাৰতে বাংগালুৰুত অনুষ্ঠিত প্ৰথমখন খেলত পৰাজিত হৈছিল।

শৃংখলাৰ বাকী দুখন খেলৰ বাবে অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে নিউজিলেণ্ডৰ প্ৰাক্তন অধিনায়ক কেন উইলিয়ামছনে আঘাতৰ বাবে এইখন খেলতো অংশগ্ৰহণ কৰিব নোৱাৰিব।

০০০০০০

সমাপ্ত